Printed Pages—3

3 (Sem–6) ASM M 1

Bijni College Library
P.O. Bijni, Dist. Chirang
(B.T.A.D) Assam

2 0 1 5

# ASSAMESE

( Major )

Paper : 6.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়াঁ : ১×৭=৭

(ক) গুণাভিৰাম বৰুৱাই ৰচনা কৰা নাটকখনৰ নাম কি?

(খ) 'গদাধৰ' নাটকখন কাৰ ৰচনা?

(গ) 'লিতিকাই' কোন শ্ৰেণীৰ নাটক?

(ঘ) মূলাগাভৰুৰ প্ৰকৃত নাম কি আছিল?

(ঙ) চুতেং কোন আছিল?

(চ) ফৰ্মুদ আলি কাৰ সহযোগী আছিল?

(ছ) মণিমুগ্ধ কোন দেশৰ ৰজা আছিল?

২। চমুকৈ উত্তৰ লিখাঁ : ২×৪=৮

(ক) 'বঙাল বঙালনী' নাটৰ নাট্যকাৰ কোন? এইখন কিমান চনত প্ৰকাশ পায়?

(খ) 'ৰূপালীম' নাটৰ মুখ্য নাৰী চৰিত্ৰ কেইটা আৰু কি কি?

(গ) কিমান চনৰ, কিমান তাৰিখে মণিৰাম দেৱানক ফাঁচী দিয়া হয়?

(ঘ) চৰাইদেউ পৰ্বতৰ ওপৰত কাৰ কাৰ মূৰ পুতি থোৱা হৈছিল?

৩। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখাঁ : ৫×৩=১৫

(ক) গুণাভিৰাম বৰুৱাৰ 'ৰামনৱমী' নাটৰ বিষয়বস্তু কি? আলোচনা কৰাঁ।

(খ) ৰূপালীমৰ মৃত্যুৰ বাবে প্ৰধানভাৱে দায়ী কোন? আলোচনা কৰাঁ।

(গ) দুতিৰাম চিৰস্তাদাৰক কলীয়াপানীলৈ কিয় পঠিওৱা হৈছিল? ব্যাখ্যা কৰাঁ।

(ঘ) দিহিঙীয়া ৰজা কোন আছিল? কোনে তেওঁৰ ৰাজ্য আক্ৰমণ কৰিছিল?

(ঙ) মূলাগাভৰুৰ ক'ত, কেনেকৈ মৃত্যু হৈছিল? চমু বিৱৰণ দিয়াঁ।

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ১০×৩=৩০

(ক) আধুনিক অসমীয়া নাটকৰ আকৃতিগত আৰু প্ৰকৃতিগত বিশেষত্বসমূহ আলোচনা কৰাঁ।

(খ) 'ৰূপালীম' নাটৰ মুখ্য পুৰুষ চৰিত্ৰ দুটাৰ তুলনা দাঙি ধৰাঁ।

(গ) 'ৰূপালীম' নাটখনক কাব্যগন্ধী নাটক বুলি ক'ব পাৰিনে? আলোচনা কৰাঁ।

(ঘ) ঐতিহাসিক নাটৰ বৈশিষ্ট্যসমূহ কি কি? 'মণিৰাম দেৱান' নাটৰ মাজেৰে এই বৈশিষ্ট্যসমূহ কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰাঁ।

(ঙ) 'মণিৰাম দেৱান' নাটৰ মাজেৰে ভাৰতৰ স্বাধীনতা আন্দোলনৰ কি সম্ভেদ পোৱা যায়, আলোচনা কৰাঁ।

(চ) 'হেংদাং' নাটৰ মাজেৰে মুলাগাভৰুৰ দেশপ্ৰেমৰ নিদৰ্শন বিচাৰ কৰাঁ।

(ছ) ঐতিহাসিক নাট হিচাপে 'হেংদাং' নাটৰ এটি বিশ্লেষণ দাঙি ধৰাঁ।

☆ ☆ ☆